# চতুৰ্থ অধ্যায়

## ঢকুৱাখনা অঞ্চলৰ মঠ মন্দিৰ আৰু সামাজিক সংহতি

### ৪.১ মঠ-মন্দিৰ সমূহৰ উৎসৱ পাৰ্বণ আৰু সামাজিক সমন্বয় ঃ

ধৰ্মবিশ্বাস মানুহৰ এক প্ৰাচীনতম চিন্তাশক্তি। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মানুহৰ জীৱন ধাৰণৰ প্ৰণালী, মূল্যবোধ, আচাৰ-আচৰণ পৰম্পৰাগত বিশ্বাস আদি ভিন-ভিন। ভৌগোলিক ভাৱে মানুহৰ এনে ধৰণৰ পাৰ্থক্য থাকিলেও ধৰ্ম বিশ্বাসী প্ৰতিজন মানুহেই এক সৰ্বশক্তিমান ঈশ্বৰত বিশ্বাস কৰে। [১] 'ধৰ্ম' শব্দটো সংস্কৃত 'ধৃ' ধাতুৰ লগত "মন" প্ৰত্যয় যোগ হৈ সাধিত হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ "যি ধাৰণ কৰে" অৰ্থাৎ যিয়ে সমাজখনক ধৰি ৰাখে। ইংৰাজী 'Religion' শব্দটোৰ অসমীয়া সমাৰ্থক হিচাপে 'ধৰ্ম' শব্দটোকে ব্যৱহাৰ কৰা হয়।" মানুহৰ সভ্যতাৰ ইতিহাস অধ্যয়ন কৰিলে এটা কথা অনুভৱ হয় যে ধৰ্ম আৰু ঈশ্বৰ বিশ্বাস মানুহৰ একে অৱচেতন মনৰ প্ৰতিফলিত ৰূপ। মানুহৰ এই ধৰ্ম বিশ্বাস আৰু ঈশ্বৰ বিশ্বাসৰ ফলতেই সৃষ্টি হৈছে বিভিন্ন মঠ-মন্দিৰৰ। বৰ্তমান বিজ্ঞানৰ জয়-জয় ময়-ময় অৱস্থাতো শিক্ষিত-অশিক্ষিত সকলো লোকেই নিজৰ মনোবাঞ্ছা পূৰণৰ নিমিত্তে বিভিন্ন দেৱ-দেৱীৰ পূজা কৰি আহিছে। উজনি অসমৰ লখিমলপুৰ জিলাৰ "ঢকুৱাখনা" অঞ্চলৰ যি কেইখন ধৰ্মস্থান আমাৰ আলোচনাত অৰ্ন্তভুক্ত হৈছে সি এদিনতে গঢ় লৈ উঠা নাই। অঞ্চলবাসীৰ ধৰ্মস্পৃস্থা, সাংস্কৃতিক মন আৰু সহযোগ অবিহনে ই সম্ভৱপৰ নহয়। অঞ্চলটোৰ যিকোনো ধৰ্মানুষ্ঠানত (শৈৱ, শাক্ত, বৈষ্ণৱ) পূজা-পাৰ্বণত জাতি-বৰ্ণৰ বাচ-বিচাৰ নকৰি সকলোৱে সহযোগীতা কৰা কথাটোৱে এই কথাকেই প্ৰতীয়মান কৰে। পৰস্পৰৰ ধৰ্মৰ প্ৰতি আস্থা, শ্ৰদ্ধা আৰু বিশ্বাস থাকিলেহে ই সম্ভৱ হয়। ইয়াৰ পৰা এটা কথা স্পষ্ট হয় যে অঞ্চলটোত মঠ-মন্দিৰ তথা তাত অনুষ্ঠিত উৎসৱ-পাৰ্বণ সমূহে জনসাধাৰণৰ মাজত বৰ্তাই ৰাখিছে সামাজিক সমন্বয়ৰ এটা নতুন দিশ। ঢকুৱাখনা অঞ্চলৰ বিভিন্ন মঠ-মন্দিৰ সমূহ এফালে জনবিশ্বাসৰ থলী আনফালে এইবোৰে ঢকুৱাখনাৰ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত পূৰ্বৰে পৰা এক গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। পূৰ্বতে ঈশ্বৰ বিশ্বাসকেই

ফল-প্ৰাপ্তিৰ সৰ্বোৎতম মাধ্যম ৰূপে গণ্য কৰা অঞ্চলটোত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱে বহু পৰিৱৰ্তন সাধন কৰিছে যদিও মঠ-মন্দিৰ সমূহৰ প্ৰতি থকা বিশ্বাস আজিও ঢকুৱাখনাবাসীৰ শিৰাই-শিৰাই প্ৰবাহিত। আনফালে প্ৰতিটো মঠ-মন্দিৰৰ সাংস্কৃতিক বাতাবৰণে ঢকুৱাখনাৰ সামাজিক আৰু বৌদ্ধিক ক্ষেত্ৰত ব্যাপক প্ৰভাৱ পেলাইছে বুলি ভাবিবৰ থল আছে।

**৪.২ হাৰ্হি দেৱালয়ৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

ঐতিহ্যমণ্ডিত হাৰ্হি দেৱালয়ৰ মহিমা অপাৰ। যদিও মূলত শক্তিৰ পীঠস্থান, তথাপিও সকলো দেৱ -দেৱীৰ পূজা-অৰ্চনা কৰা দেৱালয়খনত সকলো কাৰ্যৰে শুভফল প্ৰাপ্ত হয়। দেৱী সন্তুষ্ট হলে সকলো কাৰ্য সম্পন্ন হয় বুলি থকা বিশ্বাসৰ তাড়নাতেই অঞ্চলবাসীয়ে যিকোনো কৰ্মৰ সফল ৰূপায়ণৰ আগে-আগে দেৱালয়খনত  পূজা দি আহে। কাৰোবাৰ অসুখ-বিসুখ হলে বৰ্তমানেও দেৱালয় খনলৈ পূজা আগবঢ়ায়। দূৰ্গা পূজাৰ সময়ত দেৱী দুৰ্গা মানুহৰ গাত স্থিত হয়। যিকোনো মানুহেই দেৱীৰ দৃষ্টিত পৰি আপোন অস্তিত্ব পাহৰি যায়। এনে ব্যক্তিক বৰ্তমানেও পূজা পাতল কৰা হয়। সাধাৰণ অৰ্থত ‘দেওউঠা’ বুলি কোৱা এনে ব্যক্তিয়ে পূজাৰ দবাৰ চেঁৰে-চেঁৰে নাচি হাঁহ, ছাগলী, ম’হ আদি জন্তুৰ বলিৰ তেজ পান কৰে। সেই সময়খিনিত ‘দেওউঠা’ ব্যক্তিজনক যিকোনো সমস্যাৰ সমাধান সুধিলে তাৰ কাৰণ আৰু সমাধানৰ উপায় দিয়ে। দেৱালয় খনৰ প্ৰতি থকা বিশ্বাসৰ বাবেই পূজাৰ সময়ত হাঁহ, ছাগলী, ম’হ আদি বিভিন্ন ঠাইৰ মানুহে দেৱীৰ নাম উচৰ্গিত কৰে। দশমীৰ পূজাত দেৱী বিসৰ্জনৰ পিছৰ পৰা ‘দেওউঠা’ ব্যক্তি জনেও নিজৰ সম্বিত ঘূৰাই স্বাভাৱিক হৈ পৰে। কোনো ব্যক্তিয়ে দেৱীৰ প্ৰতি অপমান জনক আচৰণ কৰিলে দেৱী তেওঁৰ গাত লম্ভে বুলি বৰ্তমানেও জনবিশ্বাস আছে। প্ৰসংঙ্গক্ৰমে এটা কথা লক্ষণীয় যে বৰ্তমান পূৰ্বৰ তুলনাত দেৱালয়খনৰ প্ৰতি মানুহৰ বিশ্বাস কমি আহিছে। আনকি ‘দেওউঠা’ ব্যক্তিজনৰ লগত মানুহৰ সংঘৰ্ষ তথা তেওঁ সঁচাকৈয়ে দৈৱ শক্তিৰে পৰিচালিত হয় নে নহয় তাক লৈও মানুহে সন্দেহৰ অৱতাৰণা কৰিছে।

তথাপিও দূৰ্গা পূজাৰ বাহিৰেও বছৰৰ যিকোনো সময়তে বিভিন্ন ঠাইৰ বহু ব্যক্তিয়ে পূজা অৰ্চনাৰ বাবে দেৱালয়খনত আজিও ভিৰ কৰেহি। পূৰ্বৰ ঢকুৱাখনা অঞ্চলৰ একমাত্ৰ দূৰ্গা পূজাৰ থলী এই হাৰ্হি দেৱলয়খনৰ সামাজিক গভীৰতা বহু পৰিমানে হ্ৰাস পাই আহিছে। অতীতত ঢকুৱাখনাৰ লগতে ওচৰৰ বৰদলনি, মাছখোৱা, ধেমাজি আদি অঞ্চলৰ মানুহেও দেৱায়খনত ভিৰ কৰা পৰিলক্ষিত হয়। পূজাৰ সময়ত ঢোল, দবাৰ উখল-মাখল পৰিবেশে সমগ্ৰ ঢকুৱাখনা অঞ্চলৰ আকাশ বতাহ মুখৰিত কৰি ৰাখিছিল। সেই সময়ত জনসাধাৰণৰ ব্যাপক সমাগমে দেৱালয় খনৰ প্ৰতি থকা বিশ্বাসৰ দিশটোকে প্ৰতিফলিত কৰে। বৰ্তমান বিজ্ঞানৰ প্ৰভাৱ, মেলামুখী সভ্যতা, মানুহৰ যুক্তিবাদী মনোবৃত্তিৰ বাবে জনসমাগম তথা বিশ্বাস হ্ৰাস পোৱাটো অশুভ লক্ষণ। বৰ্তমানেও মিছিং, কোঁচ, কছাৰী, কেওট, কলিতা, চুতীয়া, আহোম, নেপালী, কৈৱৰ্ত, ব্ৰাহ্মণ আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে নিজৰ উদ্দেশ্য সাধনৰ বাবে সমবেত হৈ সামাজিক সম্প্ৰীতি ৰক্ষা কৰি আহিছে। যদিও দেৱালয় খন মূলতঃ দেৱী পূজাৰে থলী কিন্তু তাৰ সমান্তৰালভাৱে বিষ্ণু, শিৱ আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ পূজা আৰু আচাৰ-অনুষ্ঠান পালন কৰা বাবে সকলো সম্প্ৰদায়ৰ লোকে ইয়াত পূজা-অৰ্চনা কৰি আহিছে। দূৰ্গাপূজা, লক্ষ্মীপূজাৰ সময়ত স্থানীয় ব্যক্তিসকলে দোকান পোহাৰ দি দুপইচা উৰ্পাজন কৰাৰ লগতে দেৱালয়খনৰ ওচৰৰ সমগ্ৰ পৰিবেশটোত এটা গম্ভীৰ বাতাবৰণ বৰ্তমানেও অনুভূত হয়।

**৪.৩ বাসুদেৱ থান নৰোৱা সত্ৰৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

জনসাধাৰণৰ বিশ্বাস আৰু আস্থাই এটা মন্দিৰক জীয়াই ৰাখে আৰু এনে বিশ্বাস, আস্থা আৰু মঠ-মন্দিৰৰ একত্ৰিত ভেঁটিত সমাজ এখন নিয়ন্ত্ৰিত হয়। সমাজ সৃষ্টিৰ লগে-লগে মানৱ মনত ধৰ্ম তথা মঠ-মন্দিৰৰ তাত্ত্বিক বিষয়বোৰ ইমান নিখুঁত ভাৱে সোমাই পৰিল যে তাৰ ফলস্বৰূপে মানৱ মনৰ আসুৰিক প্ৰবৃত্তিবোৰ দমন কৰাত ই বহু পৰিমানে সহায় কৰিছে।

ঢকুৱাখনাৰ বাসুদেৱ থানৰ মহিমা আৰু বিশ্বাস জনমানসত অতি ব্যাপক আৰু গভীৰ। জীৱনৰ দুদুল্যমান অৱস্থাত যিকোনো মনোবাঞ্ছা পূৰণৰ বাবে অঞ্চলটোৰ সকলো লোকে সত্রখনলৈ তামোল-পাণ আগবঢ়ায় আৰু ফল প্রাপ্তিৰ পিছত তেওঁলোকে পূৰ্বতে উচৰ্গিত শৰাই, সোণ-ৰূপৰ ফুল আদি অৰ্পণ কৰে। সত্রখনত দৈনিক এনে ধৰণৰ বহুলোকৰ সমাগম হয়। অপুত্রকে পুত্র, পঢ়া-শুনা, বিবাহ, বেমাৰ-আজাৰ নিৰাময় আদি সকলো দুৰ্যোগৰ পৰা মুক্তি পোৱা প্রমাণিক জনবিশ্বাস অঞ্চলটোত বিৰাজমান। যিকোনো মনোকামনা পূৰণৰ পিছত খোল, তাল, কাঁহ, শঙ্খ আদিৰ লগতে সত্রখনৰ ঘৰ- দুৱাৰ, বাটচৰা আদি নিৰ্মাণ কৰি দিয়া ভক্ত প্ৰাণ ৰাইজৰ বিশ্বাস নেদেখিলে কল্পনা কৰিবলৈ টান লাগিলেও বাস্তৱত কিন্তু ইয়ে সত্য।

জনবিশ্বাসৰ সমান্তৰালভাৱে সংগীত, নাট, অভিনয়ৰ মাজেৰে সত্রখনত এক সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰি সামাজিক, সাংস্কৃতিক জগতখনলৈও অৰিহণা যোগাই আহিছে। সত্রখনত পালনীয় ৰাস, ভাওনা, দৌলযাত্রা, বিভিন্ন গীত-মাত, প্রসঙ্গ আদিয়ে সামাজিক সাংস্কৃতিক স্থিতিক জীপাল কৰি ৰাখিছে। সত্ৰখনৰ চৌদিশে বাস কৰা মিছিং, ব্ৰাহ্মণ, কলিতা, চুতীয়া আদি বিভিন্ন জনগোষ্ঠীৰ লোকৰ শ্ৰদ্ধা আৰু সহযোগীতাৰে প্ৰতিটো অনুষ্ঠান উদ্‌যাপন কৰাটো সত্রখনৰ বাবে গৌৰৱৰ কথা। সত্রখনক কেন্দ্ৰ কৰিয়েই বহুলোকে সৰু-সুৰা বেপাৰ-বাণিজ্য, সমাজপ্রেমী, বিদ্যানুৰাগী সত্ৰাধিকাৰ সকলৰ চেষ্টাতেই বাসুদেৱ থান প্ৰাথমিক বিদ্যালয়কে ধৰি কেইবাখনো বিদ্যালয় সত্ৰৰ মাটিতে স্থাপিত হৈ এক সুস্থ সামাজিক, সাংস্কৃতিক, বৌদ্ধিক বিকাশৰ পৰিৱেশ সৃষ্টি কৰি অভূতপূৰ্ণ অৱদান আগবঢ়াই আহিছে।

### ৪.৪ বৰঠাই সত্ৰৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ

জনসাধাৰণৰ বিশ্বাসৰ আন এখন গুৰুত্বপূৰ্ণ স্থান ঢকুৱাখনাৰ শ্রী শ্রী বৰঠাই সত্র। সত্রখনত জনসাধাৰণে নিজৰ অভিষ্ট সিদ্ধিৰ বাবে আজিও সেৱা কৰি আহিছে। জনবিশ্বাস মতে, কোনো লোকৰ বেমাৰ-আজাৰ হলে সত্ৰখনৰ নামত তামোল-পান আগবঢ়াই শৰাই দিয়াৰ কামনা কৰে, সেই মতে ৰুগীয়ে আৰোগ্য হলে যথাৰীতি মতে শৰাই আগবঢ়ায়। আকৌ অঞ্চলটোৰ কোনো লোকৰ ঘৰত চুৰি হ’লে

সত্ৰখনত চাকি-বন্তি জ্বলাই সেৱা ল'লে, তাৰ ফল দেখুৱাই বুলি জনসাধাৰণৰ মাজত গভীৰ বিশ্বাস আছে। সত্ৰখনৰ বিশ্বাস সম্পৰ্কত ইন্দ্ৰেশ্বৰ দাসে কৈছে, এবাৰ এজন ডেকাই সত্ৰখনৰ ৰাতি সংগোপনে কৰা ভিতৰপকীয়া সকাম ভাগি বেৰৰ জলঙাইদি চাইছিল। কিছুসময়ৰ পিছত তেওঁ অস্পষ্ট শব্দ কৰি ঠাইতে ঢলি পৰিল। পিছত ভকতসকলে গম পাই শৰাই আগবঢ়াই সেৱা জনোৱাত সুস্থ হল যদিও দৃষ্টি শক্তি ঘূৰাই পোৱা নাছিল। কিছু দিনৰ পিছত পুনৰ ভোগ দি শৰাই আগবঢ়োৱাত তেওঁ দৃষ্টি শক্তি ঘূৰাই পালে। বিজ্ঞানসন্মত দৃষ্টিকোণৰ পৰা ইয়াৰ বিশ্লেষণ হয়তো বেলেগ হব পাৰে, কিন্তু অঞ্চলটোৰ জনসাধাৰণে ইয়াক সত্ৰৰ ডাঙৰীয়াৰ মহিমা বুলিয়েই বিশ্বাস কৰে।

সত্ৰখনত ৰাতি অনুষ্ঠিত বৰসবাসহ আৰু ৰাইজৰ উচৰ্গিত শৰাই দিয়া পৰ্ব আৰু আন সৰু-সুৰা আচাৰ অনুষ্ঠানতহে জনসাধাৰণ একত্ৰিত হোৱাৰ সুযোগ পোৱা যায়। তথাপিও বৰঠাই সত্ৰখনে অঞ্চলটোত এক গম্ভীৰ বাতাৱৰণ বৰ্তাই ৰখাৰ লগতে সমাজিক দিশতো ইতিবাচক প্ৰভাৱ পেলাইছে বুলিব পাৰি।

**৪.৫ গোপালপুৰ সত্ৰৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

ঘিলামৰাত অৱস্থিত গোপালপুৰ সত্ৰখনত ১৯৭৬ চনৰ পৰা কাৰ্যকৰী কৰা চৰকাৰৰ ছিলিং এক্টৰ বিধিয়ে ধৰ্মীয়, সমাজিক, সাংস্কৃতিক সকলো দিশতে স্থবিৰত আনিলে। পূৰ্বতে দক্ষিণপাট সত্ৰৰ আৰ্হিত উদ্‌যাপিত ৰাসমহোৎসৱে এক সাংস্কৃতিক পৰিবেশৰ সূচনা কৰিছিল, কিন্তু বৰ্তমান সত্ৰখনলৈ জনসমাগমৰ পথ ৰুদ্ধ হৈ পৰাৰ লগে-লগে সত্ৰখনৰ মূল ধমীয় দিশটোও মৃতপ্ৰায় হৈ পৰিল। সত্ৰখনত মাজে-মাজে কেতিয়াবা কোনো লোকে মনোবাঞ্ছা পূৰণৰ বাবে শৰাই উচৰ্গিত কৰাৰ বাহিৰে আন বিশেষ উপলক্ষ্য নাই।

**৪.৬ গোবিন্দপুৰ সত্ৰৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

ব্ৰহ্ম সংহতিৰ গোবিন্দপুৰ সত্ৰত শিষ্যসকলে প্ৰত্যক্ষ ভাৱে উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণৰ সুযোগ কম হোৱাৰ বাবে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সত্ৰখনৰ ভূমিকা বৰ বেছি বুলিব নোৱাৰি।

জনবিশ্বাসৰ ক্ষেত্ৰত কোনো লোকে কিবা উদ্দেশ্য সাধনৰ বাবে সত্ৰখনত চাকি-বন্তি জ্বলোৱা, মনোকামনা পূৰণৰ নিৰ্মিত্তে ভওনা প্ৰদৰ্শন কৰাৰ দৰে বিশ্বাস নাই বুলি কব নোৱাৰি।

**৪.৭ গৰখীয়া দ'লৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

গৰখীয়া দ'লৰ মহিমা আৰু জনবিশ্বাস এতিয়াও জনসাধাৰণৰ মাজত শিপাই আছে। জনবিশ্বাস মতে দ'লটোৰ দ'লসকাম পাতি বিষ্ণুৰ নামত পূজা দিলে গাওঁখনত বেমাৰ আজাৰ, মাৰি-মৰক আদি নহয়। অঞ্চলটোত দ'লটোৰ মাহাত্ম্য কিমান গভীৰ সেই সৰ্ম্পকত স্থানীয় ব্যক্তি দিবাকৰ বড়াই কৈছে [২] "এবাৰ গাওঁখনৰে এজন ব্যক্তিয়ে অন্য ঘৰৰ পৰা পইচা চুৰি কৰি তাৰ পিছত অনুসূচনা আৰু দ'লত চাকি দিলে অমঙ্গল হোৱাৰ আশংকাত ভূগি নিজে দোষণীয় কাম কৰাৰ কথা স্বীকাৰ কৰে।" যদিও এই বিশ্বাসৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰাৰ থল আছে, তথাপিও জনবিশ্বাসৰ ফালৰ পৰা ই দ'লটোৰ মহিমা কিমান নিভূত কোনলৈ শিপাই আছে তাক সোঁৱৰাই দিয়ে। যিহেতু দলটোলৈ যাতায়তৰ সু-ব্যৱস্থা নাই, হাবিতলীয়া বা লিচৰত দ'লটো অৱস্থিত। সেয়ে কেৱল দৰ্শণৰ উদ্দেশ্য লৈ গলে দ'লটো বিছাৰি উলিয়াব নোৱাৰা মানুহে কিন্তু শৰাই লৈ শ্ৰদ্ধাৰ মনোভাৱেৰে গলে দ'লটো বিছাৰি উলিয়াব পৰা জনবিশ্বাসৰো প্ৰামানিক উদাহৰণ আছে। যাতায়তৰ সুচল ব্যৱস্থানোহোৱা বাবে দূৰণিৰ মানুহৰ সমাগম কম হলেও ওচৰৰ মিছিং, দেউৰী, চুতীয়া, কছাৰী আদি বিভিন্ন জনগোষ্ঠীৰ লোক সকলৰ বসতিপ্ৰধান অঞ্চলটোত শান্তি শৃংখলা ৰক্ষাত দ'লটোৰ ভূমিকা অপৰিসীম।

**৪.৮ প্ৰসিদ্ধ চন্দ্ৰ দেৱ মহামন্দিৰৰ জনবিশ্বাস, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ ঃ**

প্ৰসিদ্ধ মন্দিৰৰ প্ৰতি বৰ্তমান জনসাধাৰনৰ আগ্ৰহ বৰ সন্তোষজনক নহয়। মিছিং জনগোষ্ঠীয় অঞ্চলটোত পূৰ্বৰে পৰা এটা পৰম্পৰাৰ মাজেৰে চলি থকা অঞ্চলবাসীৰ মাজত নতুনকৈ স্থাপিত মন্দিৰটোৱে বিশেষ অৱদান আগবঢ়াব পৰা নাই। ৰক্ষনশীলতা তথা পৰম্পৰাবাদী চিন্তাৰে পুষ্ট অঞ্চলবাসীৰ

মন্দিৰটোৰ লগত সংযোগৰ সীমাবদ্ধতা অনুমান কৰিব পাৰি। সেয়ে মন্দিৰটোৰ পৰিচালনাৰ দায়িত্বত থকা হেমকান্ত পেগুকে ধৰি তেওঁৰ পৰিয়ালবৰ্গ আৰু ওচৰৰ কেইঘৰ মান মুষ্টিমেয় মানুহে মন্দিৰটোক আধ্যত্মিক চিন্তাৰ থলী ৰূপে ব্যৱহাৰ কৰি আহিছে। অৱশ্যে, [৩] "কেতিয়াবা কোনো মন্দিৰত নিজৰ অভিষ্ট সিদ্ধিৰ বাবে দান দিবলগীয়া হলে; চাকি-বন্তি জ্বলাই সেই কাৰ্য সমাপন কৰেহি অঞ্চলটোৰ জনসাধাৰণে।"

**প্ৰসঙ্গটোকা ঃ**

১। শিৱ শৰ্মা ঃ মহাতীৰ্থ অসম, পৃষ্ঠা - ১০

২। দিবাকৰ বড়াৰ পৰা পোৱা তথ্য (স্থানীয় ব্যক্তি, গৰখীয়া দ'ল), বয়স - ৪৪

৩। হেমকান্ত পেগুৰ পৰা পোৱা তথ্য, প্ৰসিদ্ধ মন্দিৰ, বয়স-৫২